# Dos and Don’ts for Cyclone

## ঘূৰ্ণি বতাহৰ সময়ত কি কৰিব আৰু কি নকৰিব

### কি কৰিবঃ

- ঘৰটোৰ প্ৰতি লক্ষ্য ৰাখক। ঢিলা হৈ থকা টাইলচবোৰ চিমেন্টৰে ভালকৈ লগাওক । প্ৰয়োজন সাপেক্ষে দুৱাৰ খিৰিকিবোৰ মেৰামতি কৰাওক ।
- বাসগৃহৰ চাৰিওকাষৰ প্ৰতি মন দিয়ক । মৰা বা মৰিব ধৰা গছ-গছনিবোৰ আতৰাই পেলাওক । পকাৰ খুটা, ঢিলা হৈ থকা ইটাৰ গাঠনি, জাবৰৰ টিন, চাইনব’ৰ্ড, আদি বাগৰি নপৰাৰ ব্যবস্থা কৰিব ।
- প্ৰয়োজন অনুসৰি খিৰিকিৰ আয়নাত লগাব পৰাকৈ কাঠ বা প্লাই ব’ৰ্ড গোঁটাই ৰখাৰ ব্যৱস্থা কৰিব ।
- যদি তেনেধৰনৰ কাঠ বা প্লাই ব’ৰ্ড নাথাকে, তেন্তে আইনাৰ ওপৰত কাগজ আঠা লগাই দিব যাতে বাহিৰৰ পৰা কোনো বস্তু চিটিকি আহিব নোবাৰে ।
- কেৰাচিনতেলৰ সৈতে লেম্প আৰু বেতাৰীসহ টৰ্চ লাইট সহজতেপোৱাকৈৰাখিব ।
- ভগা-চিগা ঘৰ আদি থাকিলে সোনকালে ভাঙি পেলাব ।
- ৰেডিও থাকিলে স ম্পূৰ্ণ ব্যৱহাৰ যোগ্য কৰি ৰাখিব আৰু ট্ৰেনজি ষ্টৰ থাকিলে ওপৰঞ্চি বেটাৰীসহ সহজতেপোৱাকৈৰাখিব ।
- ৰেডিঅ’টো সদায় “অন” কৰি বা চলাই ৰাখিব আৰু ওচৰৰ আকাশবানী কেন্দ্ৰৰ বতৰ সম্পৰ্কীয় সঁকিয়নী বা সতৰ্কতামূলক পৰামৰ্শাৱলী মনোযোগ দি শুনিব ।
- ৰেডিঅ’ৰ যোগেদি লাভ কৰা চৰকাৰী তথ্যহে অন্যলোকক জনাব ।
- সাগৰৰ পাৰৰ দ-চানেকীয়া অঞ্চল যিবোৰ সাগৰৰ ঢৌ বা জোৱাৰৰ পানীৰ দ্বাৰা সহজে প্লাৱিত হয়, তেনে ঠাইৰ পৰা সোনকালে আঁতৰি গৈ সাগৰৰ পানীয়ে ঢুকি নোপোৱা ওখ ঠাইলৈ যাওঁক । ৰৈ নাথাকিব, বিপদত পৰাৰ আগতেই ক্ষীপ্ৰ ব্যৱস্থা হাতত লওঁক ।
- যদি আপোনাৰ বাসগৃহটো মজবুতকৈ সজা আৰু জোৱাৰ অথবা নৈৰ বানৰ কবলৰ পৰা মুক্ত, তেন্তে আপুনি নিৰাপদ । কিন ন্তু হলেও ঘৰ খালী কৰিবৰ নিৰ্দেশ পালেই তাক পালন কৰিবলৈ সাজু থাকক ।
- ধাৰাসাৰ বৰষুণৰ বাবে নৈৰ পানী বাঢ়ি ডাঙৰ বানৰ সৃষ্টি হোৱাৰ সম্ভাৱনাৰ প্ৰতি সতৰ্ক থাকক ।
- যিবোৰ খোৱাবস্তু নৰন্ধাকৈ অথবা সামান্যকৈ ৰান্ধিও সেৱন কৰিব পৰা যায়,তেনেবোৰ খাদ্য সৰহীয়াকৈ মজুত ৰাখক । খোৱাপানী সৰহীয়াকৈ ঢাকন থকা পাত্ৰত সংগ্ৰহ কৰি ৰাখক ।
- আপুনি যদি কোনো স্থানান্তৰিত এলেকালৈ যাব লগা হয়, তেনেহলে মূল্য ৱান সামগ্ৰীসমূহ সম্ভৱস্থলত বান পানীয়ে নোপোৱাকৈ ওপৰ মহলাত বা ওখ ঠাইত ৰাখিব ।

- বিস্ফোৰণ ঘটাৰ সম্ভাৱনা থকা বস্তুবোৰ সাৱধানে ৰাখিব । কেৰাচিন তেলৰ গেলন, কৃষি সঁজুলি ইত্যাদি যিবোৰ সামগ্ৰী ধুমুহাৰ সময়ত অধিক বিপদজনক হ'ব পাৰে, তেনেবোৰ আঁতৰাই বা একোটা কোঠাত বেলেগে ৰাখিব ।
- কোবাল ধুমুহা বতাহৰ হেঁচা কমাবলৈ বাসগৃহৰ বিপৰীত মুখী দুৱাৰ আৰু খিৰিকী খোলা ৰাখিব ।
- কন কন ল'ৰা-ছোৱালী বা বয়সস্থ লোকৰ প্ৰতি প্ৰয়োজন হোৱা বিশেষ আহাৰৰ ব্যৱস্থা ৰাখিব ।
- যদি ধুমুহাৰ "চকু" আপোনালোকৰ অঞ্চলৰ ওপৰেদি পাৰ হৈ যায়, তেনেহলে প্ৰায় আধা ঘন্টা বা তাতকৈ কিছু বেছি সময়ৰ বাবে ধুমুহা আৰু বৰষুণৰ তাণ্ডৱ বন্ধ থাকে । সেই সময়ছোৱাত নিৰাপদ স্থানত আশ্ৰয় ল'ব আৰু জৰুৰী মেৰামতি থাকিলে কৰি ল'ব । কিন্তু এই সময়ছোৱাৰ পিছতে অধিক বেগেৰে আহিবলগীয়া ধুমুহাৰ তাণ্ডৱৰ প্ৰতি সতৰ্ক থাকিব ।
- শান্ত হৈ থাকক।ধৈৰ্য্য নেহেৰুৱাব।জৰুৰীকালীন অৱস্থাৰ মুখামুখী হোৱাৰ আপোনাৰ সক্ষমতাই আনকো সাহস যোগোৱাৰ লগতে অনুপ্ৰাণিত কৰিব।
- সংশ্লিষ্ট ব্যক্তিসকলৰ ফালৰ পৰা নিজাঘৰলৈ ঘুৰি যোৱাৰ নিৰ্দেশনা নহালৈকে নিৰাপদ আস্থানত (চেলটাৰত) থাকক।
- লাইটপ'ষ্ট আদিৰপৰা চিগা বা ওলমিথকা তাঁৰ আদিৰ পৰা অতি সাৱধানে থাকক।
- সাহায্যৰ কামত প্ৰয়োজন নোহোৱালৈকে সাধাৰণ লোকসকল ধ্বংসাত্মক অঞ্চলৰ পৰা আতৰি থকা উচিত।
- বাছ, গাড়ী, ট্ৰাক আদি অধিক সতৰ্কতাৰে চলোৱা উচিত।
- ঘৰ বা বাসস্থানৰ ওচৰ-পাজৰৰ পৰা আৱৰ্জনা আতৰোৱা উচিত।
- সম্পদ হানি অথৱা লোকচানৰ তথ্য সংশ্লিষ্ট কৰ্তৃপক্ষক জনোৱা উচিত।
- উপদ্ৰুত অঞ্চলৰ লোকসকলে আত্মীয় স্বজনক তেওঁলোকৰ প্ৰতিৰক্ষা ব্যৱস্থাৱলী সম্পৰ্কে সময়ে সময়ে জনাই থকা উচিত।

## কৰণীয়

## ঘূৰ্ণিবতাহৰসময়তকৰণীয়ঃ

- ইতিমধ্যে ৮০% পূৰ্ঠ হোৱা শস্যডৰা আগতীয়াকৈ চপোৱাৰ ব্যৱস্থা কৰিব লাগে ।
- চপাই অনা শস্য ডৰা ভঁড়ালত ৰখাৰ ব্যৱস্থা কৰক ।
- বিপদ সংকুল অঞ্চলৰ জলসিঞ্চনৰ নলা আৰু নদীৰ পাৰবোৰ মেৰামতি কৰি ভালদৰে বান্ধ দিব লাগে ।
- সূচল জলসিঞ্চন নিৰ্মাণ কৰিব লাগে ।
- উদ্যান শস্যৰ গছবোৰ হালি নপৰিবলৈ ঢোকা দিয়াৰ ব্যৱস্থা কৰক ।

- বান পিড়িত অঞ্চলত প্ৰতিৰোধক্ষমতা থকা শস্য যেনে ধান আদি ৰুব লাগে ।
- বানপানীৰ বাবে লোকচানৰ পৰা হাতসাৰিবলৈ গ্ৰহণযোগ্য পানীৰ টেঙ্ক (নদী,জুৰি,বিল) থাকিব লাগে ।
- বানপানীৰ ক্ষমতা আৰু ইয়াৰ প্ৰভাৱ ৰোধ কৰিবলৈ গছ–গছনি ৰুব লাগে যাতে বানপানীৰ সময়ত পানীৰ সোঁতক বাধা দিব পাৰে ।
- কুঁহিয়াৰৰ গছবোৰ ২-৩ ডাল একেলগে বান্ধি দিব ।
- কোবাল বতাহৰ পৰা ৰক্ষা পাবলৈ গোহালিবোৰ সুৰক্ষিত ৰাখক ।
- পোহনীয়া গৰু-ছাগলীবোৰ সুৰক্ষিত স্থানত ৰাখক ।
- মুৰ্গী-হাহঁৰ গঁড়ালবোৰ চাৰিওফালে বস্তাৰে আৱৰি দিয়ক ।

## ঘূৰ্ণি বতাহৰ পাছত কৰণীয়ঃ

- বতাহ ধুমুহা হৈ যোৱাৰ পাছত শস্য ডৰাৰ পৰা অতিৰিক্ত পানী উলিয়াই দিয়ক আৰু কুঁহিয়াৰবোৰ মুঠিমুঠিকৈ বান্ধি দিয়াকাম,কলগছত ঢোকা দিয়া তথা শাক-পাচলিবোৰ সৰু সৰু মাৰিৰে বান্ধি দিয়ক যাতে লোকচান কমাব পাৰি ।
- অতিৰিক্ত পৰিমানৰ নাইট্ৰজেন সাৰ টপ ড্ৰেচিং কৰিলে সোনকালে গছবোৰ ঠনধৰি উঠিব আৰু লোকচান কমিব ।
- পানীজমা হৈ থকাৰ ফলত মাটিৰ অনুমৌল পৰিমান কমিযাবপাৰে,ঘূৰ্ণিবতাহ শেষ হোৱাৰ পাছত অনুমৌল স্প্ৰে কৰাৰ ব্যৱস্থা কৰক ।
- ৭০% ফচল পূৰঠ হ'লে তাক চপোৱাৰ ব্যৱস্থা কৰক ।

## নকৰিবলগীয়া

- উৰা বাতৰিত ভোলনা যাব/কাণনিদিব ।
- উদ্ধাৰকাৰী দলে নিৰ্দেশ নিদিয়ালৈকে বাসস্থান ত্যাগ নকৰিব ।
- ঘূৰ্ণিবতাহ শাম কটাৰ লগেলগেই নিৰাপদ স্থানত্যাগ নকৰিব অৱশ্যে প্ৰয়োজনসাপেক্ষে সৰু-সুৰা মেৰামতি কৰিব পাৰে ।
- বিদ্যুৎ খুটাৰ পৰা ছিঙি পৰা তাঁৰ ভুলতো নুচুব কাৰণ বিদ্যুৎ সংযোগ সক্ৰিয় হৈ থাকিব পাৰে ।

## কৃষিকৰ্মত ঘূৰ্ণি বতাহৰ সময়ত লৱলগীয়া সাৱধানতাঃ

**প্ৰচুৰ বৰষুণ আৰু বানপানীৰ প্ৰভাৱঃ**ঘূৰ্ণিবতাহৰ ফলত হোৱা প্ৰচুৰ বৰষুণ আৰু বানপানী-

- ধাৰাষা ৰবৰষুণ আৰু ইয়াৰ ফলত হোৱা বানপানীয়ে পথাৰৰ শস্য অনিষ্ট সাধন কৰে ।
- বানপানীয়ে মাটিৰ বায়ু চলাচলত বাধাদি শস্যৰ পথাৰত প্ৰভাৱ পেলায় ।
- মাটিত উৎপন্ন হোৱা ৰাসায়নিক বিক্ৰিয়াৰ ফলত নাইট্ৰজেন গেছৰ উদ্ভৱহোৱা দেখা যায়, ইয়াৰ ফলত গছৰ বৃদ্ধি আৰু বিকাশ হ্ৰাস পাব পাৰে।
- প্ৰচুৰ বৰষুণৰ ফলত মাটিৰক্ষয়ীকৰণ হ'ব পাৰে, ইয়াৰ ফলত কৃষি প্ৰণালীত পানী জমাহোৱা আৰু বিভিন্ন কীটপতঙ্গ আৰু বেমাৰ হ'ব পাৰে ।

**কোবাল বতাহৰ প্ৰভাৱঃ**

- কোবাল বতাহৰ ফলত গছ-গছনি হালিপৰাৰ লগতে শিপাৰ সৈতে উভালি পৰিব পাৰে ।
- ইতিমধ্যে পূৰঠ হৈ থকা ফচল বোৰ প্ৰচণ্ড বতাহৰ ফলত সৰি পৰিব পাৰে ।
- ওখ গছ যেনেকুঁহিয়াৰ, কলগছ আদি সাধাৰণতে কোৱাল বতাহত সহজে ভাঙি পৰিব পাৰে ।
- স্প্ৰে আৰু সাৰ প্ৰয়োগত প্ৰচণ্ড বতাহে বিৰূপ প্ৰভাৱ পেলায় ।
- বতাহৰ ফলত গছবোৰ শুকানহৈ যোৱাৰ বাবে বেছি পৰিমাণৰ পানীৰ দৰকাৰ হয় ।